অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref : অজাবি/০০৯/১২/২০২৩-২৪

তাৰিখ :
Date : ০২-১০-২০২৩

## অসম জাতীয় বিদ্যালয়ত আন্তৰ্জাতিক অহিংসা দিৱস পালন

**নুনমাটি, গুৱাহাটী, ২ অক্টোবৰ, ২০২৩ঃ** দেশৰ আন আন প্ৰান্তৰ লগতে আজি অসম জাতীয় বিদ্যালয়তো আন্তৰ্জাতিক অহিংসা দিৱস পালন কৰা হয়। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জন্মদিনৰ লগত সংগতি ৰাখি আয়োজন কৰা এই দিৱসৰ আৰম্ভণিতে গান্ধীজীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। বিদ্যালয়ৰ নৱম-দশম শ্ৰেণীৰ শিক্ষাৰ্থী জিয়া ভাৰ্গৱ, প্ৰাৰ্থনা শৰ্মা, জহেব জামান, কৌশিক কাকতি, সুদীপ্ত কলিতা, অভিলাষা বৰ্মন আৰু ভাৰ্গৱ দত্তই গান্ধীজীৰ জীৱন-দৰ্শন তথা ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ ভূমিকাৰ বিষয়ে বক্তব্য আগবঢ়ায়। বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক কুশল গোস্বামীয়ে গান্ধীজীৰ অহিংস দৰ্শনৰ লগতে অহিংসা দিৱসৰ আঁৰৰ কথা বিতংভাৱে ব্যাখ্যা কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ সংগীত বিভাগৰ শিক্ষয়িত্ৰী বৰ্ণালী দেৱীয়ে ভজন পৰিৱেশন কৰাৰ উপৰিও জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে কবিতা আবৃত্তি কৰে। বিদ্যালয়ৰ সমূহ শিক্ষাৰ্থীয়ে 'মই গান্ধীজীৰ দৰে হ'ম' শীৰ্ষক গীত পৰিৱেশন কৰাৰ লগতে সত্য আৰু অহিংসাৰ পথত থাকি জীৱন আগুৱাই নিবলৈ সমস্বৰে শপত গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী মানসী বৰুৱাই।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়